জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৭/২০২০

# বদৰপুৰৰ নবীন চন্দ্ৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## জীৱনৰ সোণালী সময় সদ ব্যৱহাৰেৰে সমাজলৈ অৰ্থবহ অৰিহণা আগবঢ়োৱাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কৰিমগঞ্জ জিলাৰ বদৰপুৰস্থিত নবীন চন্দ্ৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি নিৰ্মাণ কৰা নবীন চন্দ্ৰ মহাবিদ্যালয়ৰ স্মৃতি তোৰণ এখনো আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ জীৱন হ'ল জীৱনৰ আটাইতকৈ সোণালী সময়। সেয়েহে এই সময়খিনি কঠোৰ পৰিশ্ৰমেৰে সদ ব্যৱহাৰ কৰি জীৱন উজলি উঠাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ একো একো গৰাকী সুনাগৰিক হিচাপে প্ৰতিষ্ঠা লাভ কৰি সমাজলৈ অৰ্থবহ অৰিহণা আগবঢ়োৱাৰ বাবেও আহ্বান জনায়। প্ৰাক্তন ৰাষ্ট্ৰপতি, বিশিষ্ট বিজ্ঞানী ড° এ পি জে আব্দুল কালামৰ উদ্বৃতি দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয় যে জীৱনৰ লক্ষ্য প্ৰাপ্তিৰ দিশত সফলতা আহৰণ কৰিব লাগিলে কঠোৰ অধ্যৱসায়ত অৱতীৰ্ণ হ'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক্ট ইষ্ট পলিচি ৰূপায়ণৰ জৰিয়তে অসম তথা উত্তৰ পূৰ্বাঞ্চলক দক্ষিণ পূৱ এছিয়াৰ লগতে বি বি এন দেশ সমূহৰ সৈতে বাণিজ্যিক দুৱাৰৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি তোলাৰ পদক্ষেপ লৈছে বুলি উল্লেখ কৰি এই পৰিৱৰ্তিত পৰিস্থিতিয়ে কঢ়িয়াই অনা সম্ভাৱনীয়তাৰ সুযোগ গ্ৰহণ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে নিজকে দক্ষ আৰু যোগ্য হিচাপে গঢ়ি তোলাৰ দিশত আত্ম নিয়োগ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিজৰ নিজৰ ক্ষেত্ৰ সমূহত উজলি উঠি নেতৃত্ব দিব পৰা গুণ আহৰণ কৰাৰ বাবে চেষ্টা কৰাৰ বাবেও উপদেশ দিয়ে। আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে নবীন চন্দ্ৰ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ দিশত অনবদ্য অৰিহণা আগবঢ়োৱা ব্যক্তিসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, সাংসদ ৰাজদীপ ৰয়ৰ লগতে বহু কেইগৰাকী বিধায়ক আৰু মহাবিদ্যালয় খনৰ অধ্যক্ষ মুস্তাফা হুছেইনসহ বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

সুঃদঃ / পুঃডেঃ / বঃভাঃ
২৯/০১/২০২০